# নন্দনাথ শইকীয়া মহাবিদ্যালয়
# অসমীয়া বিভাগ

স্নাতক ষষ্ঠ ষান্মাসিকৰ বিষয় নিৰ্দিষ্ট পাঠ্যক্ৰম (DSE-3(H) ) কাকতৰ বাবে প্ৰস্তুত কৰা

গৱেষণা প্ৰকল্প

## প্ৰকল্পৰ বিষয়ঃ
## চুতীয়াসকলৰ ধৰ্ম আৰু লোকবিশ্বাস ঃ এক অধ্যয়ন


**তত্বাৱধায়ক ঃ ড°দেৱপ্ৰতীম হাজৰিকা (সহকাৰী অধ্যাপক অসমীয়া বিভাগ)**

প্ৰস্তুতকৰ্তা ঃ দেভিদ হাজৰীকা

ৰোল নং ঃ **30810016**

পঞ্জীয়ন নং ঃ **S1921579**

ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
লক্ষ্মীনাথ শইকীয়া মহাবিদ্যালয়
ডিডাকৰ, জিলা গোলাঘাট- ৭৮৫৬৬০

ভ্ৰাম্যভাষ: ৭০০২৮৬২৫৭১
ইমেইল : dprotim@gmail.com

প্ৰসংগ নং

তাৰিখ : ১২/৭/2022

**প্ৰমাণ পত্ৰ**

ইয়াৰ দ্বাৰা প্ৰমাণ পত্ৰ দিয়া হয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া (উচ্চমান) বিষয়ৰ **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰস্তুত কৰিবলগা প্ৰকল্পৰ বাবে শ্ৰী দেভিদ হাজৰীকাই মোৰ তত্ত্বাৱধানত **চুতীয়াসকলৰ ধৰ্ম আৰু লোকবিশ্বাস : এক অধ্যয়ন** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰকল্পৰ বাবে কৰা ক্ষেত্ৰ অধ্যয়ন তেওঁৰ নিজা প্ৰচেষ্টাৰ ফল। ছাত্ৰজনে প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো নিয়ম আৰু গৱেষণা পদ্ধতি মানি চলিছে। প্ৰকল্পৰ কোনো অংশ তেওঁ পূৰ্বতে প্ৰকাশ কৰা নাই।

তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দেৱপ্ৰতীম হাজৰিকা
(ড° দেৱপ্ৰতীম হাজৰিকা)

Department of Ass...
Date

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০

নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণপত্ৰ**

শ্ৰী দেভিদ হাজৰীকা, স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০০১৬)ৰ ছাত্ৰ। তেওঁ ড° দেৱপ্ৰতীম হাজৰিকাৰ তত্ত্বাবধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"চুতীয়াসকলৰ ধৰ্ম আৰু লোকবিশ্বাস"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

# কৃতজ্ঞতা জ্ঞাপন

"চুতীয়া সকলৰ ধৰ্ম আৰু লোকবিশ্বাস"- এটি সমীক্ষাত্মক অধ্যয়ন শীৰ্ষক গৱেষণা গ্ৰন্থখন দেৱ প্ৰতীম হাজৰিকা ছাৰৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা গৱেষণা বিষয়ক বহুমূলীয়া দিহা পৰামৰ্শৰ লগতে বিভিন্ন সমস্যাসমূহ সমাধানত দেৱ প্ৰতীম হাজৰিকা ছাৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে যাৰ বাবে তেখেতক অতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

প্ৰত্যেক সাক্ষাৎকাৰৰ জৰিয়তে গৱেষণা গ্ৰন্থৰ বাবে বহুমূলীয়া তথ্য প্ৰদান কৰা লোকসকলৰ ওচৰতো বিশেষভাৱে কৃতজ্ঞ হৈ ৰলো।

মোৰ গৱেষণা কাৰ্যৰ বাবে আগবঢ়োৱা অনুমতি প্ৰদান কৰা নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তালৈ ধন্যবাদ জনালোঁ।

দেভিদ হাজৰীকা

দেভিদ হাজৰীকা

# সূচীপত্ৰ


প্ৰস্তাৱনা ০১

বিষয়ৰ পৰিচয় ০১

অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ০২

অধ্যয়নৰ পৰিসৰ ০২

তথ্য সংগ্ৰহ পদ্ধতি ০৩

প্ৰতিবেদন প্ৰস্তুতকৰণৰ পদ্ধতি ০৪

পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ০৪

**প্ৰথম অধ্যায়**

**চুতীয়া সকলৰ চমু পৰিচয়** ০৬-০৭

**দ্বিতীয় অধ্যায়**

**চুতীয়া সকলৰ কিছুমান ধৰ্মীয় পৰম্পৰা** ০৮-১২

দেউৰীসকলৰ নিৰ্বাচন প্ৰক্ৰিয়া

কুবেৰ দেৱতা পূজা

বৰবালি সভা বা সকাম

চুতীয়া সমাজৰ ডাঙৰীয়া পূজা বা সকাম

গৰখীয়া পূজা বা সবাহ

অপেশ্বৰী পূজা

**তৃতীয় অধ্যায়**

চুতীয়া সকলৰ কেইখনমান ধৰ্মীয় থান ১৩-২২

গেৰা বা বুঢ়া-বুঢ়ী থান

তামেশ্বৰী মাতৃৰ মন্দিৰ

পিশাচী দেমা বা বলিয়া বাবা মহাদেৱ থান

শ্ৰী শ্ৰী পাতশাল গোঁসানী থান

মণিপুৰীয়া গোঁসানীৰ থান

মালিনী থান

বাসুদেৱ থান

পৰশুৰামকুণ্ড

**চতুৰ্থ অধ্যায়**

চুতীয়া সমাজত প্ৰচলিত লোকবিশ্বাস ২৩—৩৪

খাদ্যৰ ওপৰত জনবিশ্বাস

লোকবিশ্বাসত জন্ম

পঞ্চামৃত ভূজনৰ পৰ্ব

মৃতকৰ সৎকাৰ আৰু কাজ কৰ্ম

বছেৰেকীয়া

বৰসেৱা বা বৰ সকাম

ভকতসেৱা

ন-খোৱা

চুতীয়া- সমাজত মঙল চোৱা প্ৰথা

লোকবিশ্বাসত সপোন

দৈনন্দিন জীৱনতপালন কৰি অহা লোকবিশ্বাস

চুতীয়া সমাজত কালিকা

খৰাং বতৰত অনুষ্ঠিত হোৱা ভেকুলী বিবাহ

**পঞ্চম অধ্যায়**

সামৰণি ৩৫-৩৮

উপসংহাৰ

অধ্যয়নৰ শেষত প্ৰাপ্ত সিদ্ধান্ত

সহায়ক গ্ৰন্থপঞ্জী

তথ্যদাতাৰ তালিকা

**প্ৰস্তাৱনা ঃ** ধৰ্ম হ'ল সমগ্ৰ মানৱ জাতিৰ এক সৰ্বব্যাপী আৰু চিৰন্তন সংস্থা। এই সংস্থাটো মানৱ সমাজত কেনেকৈ উৎপত্তি হ'ল আৰু ইয়াৰ প্ৰকৃত অৰ্থ কি ইত্যাদি সম্পৰ্কে বিভিন্ন লিখকে নানা ধৰণৰ ব্যাখ্যা আৰু আলোচনা আগবঢ়াইছে যদিও সেইবোৰক সম্পূৰ্ণ বিজ্ঞানসন্মত সংজ্ঞা আৰু আলোচনা বুলি অভিহিত কৰিব নোৱাৰি। যিহেতু সমাজ আৰু ব্যক্তি ভেদে ধৰ্মৰ অৰ্থ পৃথক হোৱা দেখা যায়। কিছু সংখ্যা লিখকৰ মতে কিছুমান দেৱ-দেৱীক পূজা-পাতল নিঃস্বাৰ্থভাৱে উপাসনা কৰাই হ'ল ধৰ্ম। কিছুমানৰ ব্যাখ্যা মতে কিছুমান বিশেষ ৰীতি-নীতিৰ দ্বাৰা পৰিচালিত হৈ নিজৰ কৰ্তব্য আৰু আত্মবিশ্বাসেৰে দায়িত্ব পালন কৰাই হ'ল ধৰ্ম। মেকআইভৰ আৰু পেজৰ গ্ৰন্থ “Society -An Introductory Annalysis ” ত উল্লেখ কৰা মতে “ আমি বুজা মতে ধৰ্মই কেৱল মানুহ আৰু মানুহৰ মাজত সম্পৰ্কক নুসুচায়, ই মানুহ আৰু কিছুমান উচ্চ শক্তি বা অলৌকিক শক্তিৰ মাজৰ সম্পৰ্কক সূচায়”

## বিষয় পৰিচয় ঃ

ভাৰতবৰ্ষ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম প্ৰদেশ নানা জাতি-জনজাতি ভাষা ভাষীৰ মিলনভূমি। ইয়াত শ-শ- বছৰ সাংস্কৃতিক তথা ধৰ্মীয় ঐতিহ্যৰে গঢ় লৈ উঠিছে অসম নামৰ ভূ-খণ্ডত বিভিন্ন জাতি জনগোষ্ঠীয়ে নিজস্ব সাংস্কৃতিক জীৱনচৰ্চা অটুত ৰাখি বৰ্তি আছে। অসমত বাস কৰা প্ৰতিটো জাতিয়ে নিজা সামাজিক আচাৰ- আচৰণ পালন কৰা দেখা যায়। এই আচাৰ-আচৰণ, পৰম্পৰা, ধৰ্মীয় লোকবিশ্বস আদিৰ মাজেৰেই জাতি এটাৰ স্বকীয়তা ফুটি উঠা দেখা যায়। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত প্ৰচলিত বিভিন্ন আচাৰ- আচৰণ, লোক পৰম্পৰা আদি বিষয়ে খৰছি মাৰি জনাৰ সৰ্বোত্তম উপায় হৈছে ক্ষেত্ৰ অধ্যয়ন। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে অধ্যয়নকাৰীজনে অধ্যয়ন কৰিব বিচৰা নিৰ্দিষ্ট সম্প্ৰদায়টোৰ লোকসকলৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিভিন্ন তথ্য আহৰণ কৰিব পৰা যায়। তেনে এক উদ্দেশ্য আগত ৰাখিয়েই নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ DSE- 2 (H) প্ৰকল্প কাকতখনৰ বাবে “চুতীয়াসকলৰ ধৰ্ম আৰু লোকবিশ্বাস” শীৰ্ষক বিষয়টোৰ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে। যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰ মহকুমাস্থিত মহিমাবাৰী গাঁও, চৰাইপানী বালিজান গাঁও, ৰঙাজান দোলাকাষৰীয়া গাঁও তথা ভালেকেইখন সৰু সুৰা ভিতৰুৱা অঞ্চলত এই ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে। এই গাঁও, অঞ্চলসমূহত প্ৰত্যভাৱে উপস্থিত হৈ গাঁৱৰ চুতীয়া সম্প্ৰদায়ৰ কিছু বয়োজ্যেষ্ঠ তথা বিশেষজ্ঞ লোকৰ পৰা বহুতো ধৰ্মীয় কথ্য সংগ্ৰহ কৰি প্ৰকল্প কাকতখন প্ৰস্তুত কৰি তোলা হৈছে।

## অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

ধৰ্ম হ'ল সমগ্ৰ মানৱ জাতিৰ এক সৰ্বব্যাপী আৰু চিৰন্তন সামাজিক সংস্থা, এই সংস্থাটো মানৱ সমাজত কেনেধৰণে উৎপত্তি হ'ল আৰু ইয়াত প্ৰকৃত অৰ্থ কি ইত্যাদি সম্পৰ্কে বিভিন্ন লেখকে নানা ধৰণৰ ব্যাখ্যা আৰু আলোচনা আগবঢ়াইছে। যদিও সেইবোৰক সম্পূৰ্ণ বিজ্ঞানসন্মত সংজ্ঞা আৰু আলোচনা বুলি অভিহিত কৰিব নোৱাৰি। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি অসমত বাস কৰা চুতীয়া সকলৰো পৃথিবীৰ অন্যান্য জাতিৰ দৰেই কিছুমান ধৰ্মীয় পৰম্পৰা তথা লোকবিশ্বাস বিদ্যামান। প্ৰকল্প প্ৰস্তুতকৰণৰ বাবে চুতীয়াসকলৰ ধৰ্ম আৰু লোকবিশ্বাস বিষয়কে বাচনি কৰি লোৱাৰ অন্তৰালত নিহিত হৈ থকা কেইটামান বিশেষ উদ্দেশ্য তলত উল্লেখ কৰা হ'ল-

(ক) চুতীয়াসকল অসমৰ আদি জাতি বুলি কোৱা হয়। ইটালিয়ান মনিষি চিচেৰ'ই খ্ৰীঃপূৰ্ব প্ৰথম শতিকাতে কৈছিল 'যিজনে নিজৰ অতীজক নেজানে তেঁও চিৰদিনেই শিশু হৈ থাকে; অৰ্থাৎ তেওঁৰ বৌদ্ধিক বিকাশ কোনোদিনহে নঘটে। চুতীয়া জাতি প্ৰাচীনতম জাতি তথা এটি সৰল জাতি, গতিকে প্ৰতিজন অসমীয়াই চুতীয়াসকল তথা চুতীয়াসকলৰ ধৰ্মীয় পৰম্পৰা আৰু লোকবিশ্বাস সম্পৰ্কে অৱগত হোৱাটো উচিত তথা অতি প্ৰয়োজনীয়।

(খ) চুতীয়াসকলৰ ধৰ্মীয় বিশ্বাস তথা ৰীতি-নীতি, আচাৰ -অনুষ্ঠান, ক্ৰিয়া কৰ্ম আদি সম্পৰ্কে তথ্য-আহৰণ কৰা।

(গ) চুতীয়া সকলৰ দ্বাৰা নিৰ্মিত বিভিন্ন পৱিত্ৰ ঠাই , মঠ-মন্দিৰ আদি সম্পৰ্কে অৱগত হোৱা তথা এই মঠ-মন্দিৰৰ নিৰ্মাণ সম্পৰ্কে আলোক পাত কৰা।

(ঘ) চুতীয়া সমাজত জনসাধাৰণৰ মাজত বিভিন্ন ধৰণৰ লোকবিশ্বাসৰ প্ৰচলন দেখা যায়, এই লোকবিশ্বাস সমূহৰ প্ৰকাৰ আৰু প্ৰকৃত কাৰণ সম্পৰ্কে তথ্য আহৰণ কৰা।

উল্লেখিত কাৰণবোৰেই হ'ল প্ৰকল্পৰ বিষয় চুতীয়াসকলৰ "ধৰ্ম আৰু লোকবিশ্বাস" বিষয়টো বাচনি কৰাৰ মূল লক্ষ্য আৰু উদ্দেশ্য।

## অধ্যয়নৰ পৰিসৰ ঃ-

চুতীয়া জনগোষ্ঠী হ'ল অসমৰ অতি প্ৰাচীন আৰু ইতিহাসে ঢুকি নোপোৱা এক বাৰেৰহণীয়া সংস্কৃতি সমৃদ্ধিশালী এক উন্নত জনগোষ্ঠী। পৌৰাণিক, প্ৰাগ্ ঐতিহাসিক, ক্ষেত্ৰ ভিত্তিক অধ্যয়ন তথা

বৰ্তমান যুগৰ সমাজ সংস্কৃতিৰ বুনিয়াদ কঁহিয়াই বিশ্লেষেণ কৰিলে দেখা যায় যে চুতীয়া জনগোষ্ঠীৰ বিস্তৃত, বহুধা বিভক্ত তেওঁলোকৰ ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰাই অসম তথা ভাৰতীয় সমাজ ব্যৱস্থাত একক সংহতিৰ বান্ধোন সুদৃঢ় কৰাৰ লগতে সমাজৰ প্ৰগতিত বিশযেভাৱে বৰঙণি যোগাই আহিছে। চুতীয়া জাতিৰ দীঘলীয়া ইতিহাসত ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ ক্ষেত্ৰত বহুতো পৰিবৰ্তন হৈ অহা দেখা পোৱা যায়। এই সুদীৰ্ঘ চুতীয়া ইতিহাসৰ ধৰ্মীয় ৰীতি-নীতি,আচাৰ -অনুষ্ঠান, মঠ-মন্দিৰ, লোকবিশ্বাস আদিৰ ক্ষেত্ৰখন বহুতো বহল বা ইয়াৰ অধ্যয়নৰ যাত্ৰা অন্তহীন বুলি ক'ব পাৰি। সেয়েহে প্ৰকল্পটো প্ৰস্তুত কৰিবলৈ বাচনি কৰা বিষয়টোৰ পৰিসৰ হিচাপে কিছুমান নিৰ্দিষ্ট চুতীয়া ধৰ্মীয় অনুষ্ঠান, ধৰ্মীয় থান তথা অসংখ্য লোকবিশ্বাসৰ মাজৰ পৰা কিছু নিৰ্দিষ্ট জনজাতীয় লোকবিশ্বাসক কাকতখনত অন্তৰ্ভুক্ত কৰি চুতীয়া সকলৰ ধৰ্ম আৰু লোকবিশ্বাস বিষয়টোৰ পৰিসৰ সীমাবদ্ধ কৰি তোলা হৈছে।

## তথ্য সংগ্ৰহ পদ্ধতি ঃ

প্ৰতিবেদখন প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহৰ পদ্ধতি হিচাপে সাক্ষাৎকাৰ পদ্ধতিৰ সহায় লোৱা হৈছে। এই প্ৰতিবেদনখনৰ বিষয়ৰ তথ্য সংহগ্ৰহৰ বাবে মহিমাবাৰী গাওঁ, চৰাইপানী বালিজান গাওঁ, ভিতৰুৱা অঞ্চলৰ কিছু অভিজ্ঞ তথা বয়োজ্যেষ্ঠ লোকৰ সহায় লোৱা হৈছে। প্ৰতিবেদনখন প্ৰস্তুত কৰাৰ উদ্দেশ্য সাক্ষাৎকাৰৰ সময়ত তথ্যদাতাক সোধা কিছুমান প্ৰশ্ন তলত উল্লেখ কৰা হ'ল-

(ক) চুতীয়া ৰাজত্বৰ আদি কালত চুতীয়া জাতিৰ উপাস্য দেৱ-দেৱী কোন কোন আছিল আৰু তেওঁলোকক কেনেদৰে মান্যতা প্ৰদান কৰা হৈছিল তথা এই দেৱ-দেৱী সকলৰ নিয়ম নীতি-সমূহ কেনেধৰণৰ আছিল?

(খ) চুতীয়া সমাজত দেউৰী বুলি কোনসকল লোকক কোৱা হয়? চুতীয়া সমাজত দেউৰীসকলৰ স্থান কেনেকুৱা আছিল আৰু এই দেউৰীসকলক কেনদৰে নিৰ্বাচন কৰা হৈছিল?

(গ) চুতীয়া সমাজত বিশ্বাস কৰা আটাইতকৈ প্ৰভাৱশালী থান বা মন্দিৰ কোনবোৰ? এই মন্দিৰসমূহ কাৰ ৰাজত্বকালত অথবা কাৰ তত্বাৱধানত নিৰ্মাণ কৰোৱা হৈছিল? এই মন্দিৰসমূহত কোন দেৱ-দেৱীক উপাসনা কৰা হয় আৰু চুতীয়া সমাজত এই মন্দিৰসমূহৰ মান্যতা কিমান?

(ঘ) চুতীয়া সমাজত প্ৰচলিত ধৰ্মীয় বিশ্বাস বা আচাৰ অনুষ্ঠান, নীতি-নিয়ম, সকাম আদি কাৰ্যসমূহ কেনেদৰে পালন কৰা হয় আৰু এই কাৰ্যসমূহে চুতীয়া জনগোষ্ঠীৰ সামাজিক জীৱনত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে?

(ঙ) চুতীয়া সমাজত প্ৰচলিত আটাইতকৈ প্ৰচলিত লোকবিশ্বাস কোনবোৰ ? এই লোকবিশ্বাস

সমূহৰ সম্পৰ্কে জনসাধাৰণৰ ধাৰণা কেনেকুৱা ? এই লোকবিশ্বাস সমূহে জনসাধাৰণৰ জীৱন প্ৰণালীত কিবা প্ৰভাৱ পেলাইছিলনে, আৰু যদি পেলাইছিল তেন্তে কেনেধৰণৰ প্ৰভাৱ পেলাইছিল ?

(চ) চুতীয়া জনগোষ্ঠীৰ এই ধৰ্মীয় তথা লোকবিশ্বাস সম্পৰ্কে তথ্য দাতাই নিজৰ কি মতামত আগবঢ়াৱ বিচাৰে অৰ্থাৎ এই ধৰ্মীয় কাৰোকাৰ্যবোৰে সাধাৰণ লোকসকলক কিবা লাভান্বিত কৰিছিল নে বৰঞ্চ তেওঁলোকৰ জীৱন প্ৰণালীক অধিক কষ্টকৰ কৰি তুলিছিল ?

উল্লেখিত প্ৰশ্নৰ পৰা অধিকসংখ্যক তথ্যই লাভ কৰিবলৈ পাই এই উত্তৰসমূহৰ আধাৰত প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ যত্ন কৰিলোঁ।

## প্ৰতিবেদন প্ৰস্তুতকৰণৰ পদ্ধতি ঃ

প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ প্ৰধানকৈ বিষয় বিশ্লেষণ পদ্ধতি আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। বিষয়টোৰ বাবে প্ৰয়োজনীয় প্ৰাথমকি তথ্যসমূহ মহিমাবাৰী গাঁও, চৰাইপানী বালিজান গাঁও, ৰঙাজান দোলাকাষৰীয়া গাঁও, তথা অন্যান্য কিছু চুবুৰীয়া অঞ্চলৰ চুতীয়া সম্প্ৰদায়ৰ বয়োজ্যেষ্ঠ লোকৰ সহায় সংগ্ৰহ কৰা হৈছে। লগতে প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ তথ্য আহৰণৰ গৌণ উৎসৰূপে চুতীয়াসকলৰ সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধপাতিৰ লগতে প্ৰয়োজনসাপেক্ষে ইণ্টাৰনেটৰো সহায় লোৱা হৈছে।

## পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

চুতীয়া জনগোষ্ঠী হ'ল অসমৰ অতি প্ৰাচীন ইতিহাসে ঢুকি নোপোৱা এক বাৰেৰহণীয়া সংস্কৃতিয়ে সমৃদ্ধশালী কৰা এক উন্নত জনগোষ্ঠী, বৰ্তমান তথ্যভিত্তিক প্ৰমাণিত সমলৰ অভাৱ, চুতীয়াসকলৰ মাজত পৰম্পৰাগতভাৱে বুৰঞ্জী লিখাৰ অভ্যাসৰ অভাৱ আৰু অনান্য কিছুমান বিশেষ কাৰণত ইতিহাসবিদ আৰু সমাজ দাৰ্শনিক সকলে বিজ্ঞানসম্মত অধ্যয়ন কৰাত সফলতা অৰ্জন কৰিব পৰা নাই। ইংৰাজ উপনিবেশিক শাসন ব্যৱস্থা আৰু উন্নবিংশ শতিকাৰ পৰা বৰ্তমানলৈকে বিভিন্ন দেশী-বিদেশী লেখকে চুতীয়াসকলৰ ৰাজত্ব, সমাজ-সংস্কৃতি, পৰম্পৰাগত ঐতিহ্য গোষ্ঠীগত বৈশিষ্টৰ ওপৰত ভিত্তি কৰি বিভিন্ন গ্ৰন্থ, আলোচনীত প্ৰবন্ধ প্ৰকাশ সভা-সমিতি আৰু অধিবেশন আদি অনুষ্ঠিত কৰি আগবঢ়োৱা

গুৰুত্বপূৰ্ণ ভাষণ তথা বাতৰি কাকত, প্ৰচাৰ মাধ্যম ইত্যাদিৰ পৰা সংগৃহীত তথ্যৰ ভিত্তিত বিস্তৃত ব্যাখ্যা আগবঢ়াই আহিছে যদিও বুৰঞ্জীত লিপিবদ্ধ থকা কিছুমান তথ্য এখনৰ লগত অন্যখন কিছু অমিল থকা দেখা যায়।

চুতীয়াসকলৰ ধৰ্ম আৰু লোকবিশ্বাস সম্পৰ্কে পূৰ্বতে বহুতো নৃ-তত্ত্ববিদ, ইতিহাসবিদ, গৱেষক, সাহিত্যিক, আৰু সমাজদাৰ্শনিকে তেওঁলোকৰ বহুমূলীয়া গ্ৰন্থ, প্ৰৱন্ধ ভাষণ আদিত নানা ধৰণৰ সংজ্ঞা আৰু ব্যাখ্যা আগবঢ়াইছে। তলত এই সম্পৰ্কত পূৰ্বতে অধ্যয়ন কৰি নৃ-তত্ত্ববিদ, গৱেষক, সাহিত্যিকসকলে আগবঢ়োৱা কেইটামান পুস্তকৰ উদাহৰণ তলত আগবঢ়োৱা হ'ল-

(ক) সুমন দত্ত "অসমত জনজাতীয় অধ্যয়নৰ পৰিক্ৰমা।"

(খ) ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যৰ "অসমৰ জনজাতি।"

(গ) পুতলি কায়স্থৰ " অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম মৃত্যু সম্পৰ্কীয় লোকাচাৰ।"

(ঘ) ড° স্বৰ্ণলতা বৰুৱা তথা ড° ডম্বৰুধৰ নামৰ সম্পাদনাত ৰচিত "চুতীয়া জাতিৰ বুৰঞ্জী।"

# প্ৰথম অধ্যায়

## চুতীয়া সকলৰ চমু পৰিচয় ঃ

চুতীয়া লোকসকল হৈছে এক জাতিগত গোট যি অসমৰ স্থানীয় আৰু ঐতিহাসিকভাৱে চুতীয়া ৰাজ্যৰ সৈতে সম্পৰ্কিত। চুতীয়া সকল হৈছে এক মূল গোট যিয়ে অসমবাসী গঠন কৰে।

শেহতীয়াকৈ দেখা গৈছে যে 'জনজাতীয়' আৰু 'জাতি' ধাৰাবাহিকতাত চুতীয়া লোকসকলে হিন্দু আৰু ৰাজবংশীসকলৰ সৈতে মাজভাগৰ এক অস্পষ্ট স্থান দখল কৰিছে। ঐতিহাসিক চুতীয়াসকল মূলতঃ কিছুমান সন্দেজনক স্থান মিশ্ৰণৰ সৈতে বড়ো কছাৰী গোটৰ আছিল আৰু অনুমান কৰা হয় যে তেওঁলোকৰ শাসক পৰিয়ালবোৰ মূলতঃ মাতৃমূলক আছিল।

চুতীয়া সম্প্ৰদায়ক ভাৰত চৰকাৰে আন পিছপৰা শ্ৰেণী হিচাপে স্বীকৃতি দিয়ে বৰ্তমান ভাৰতৰ অনুসূচীত জনজাতি তালিকাত চুতীয়া সম্প্ৰদায়ক অন্তৰ্ভুক্ত কৰাৰ বাবে এক ৰাজনৈতি আন্দোলন চলি আছে। উপনিবেশিক কালত চুতীয়া সম্প্ৰদায়ৰ উজনী অসমত (কলিয়াবৰৰ পূৱত) দ্বিতীয় সৰ্বাধিক জনসংখ্যা আছিল। আজি তেওঁলোকৰ বেছিভাগহৈ উজনি অসমৰ এই অঞ্চলত বাস কৰে।

চুতীয়া নামটোৰ উৎপত্তি জনা নায়ায়। চুতীয়া ৰাজ্যক বড়ো ভাষা বুৰঞ্জীৰ টিওৰা (Tiora) বুলি কোৱা হৈছিল, আনহাতে অসম ভাষাৰ লোকসকলে চুতীয়া ব্যৱহাৰ কৰিছিল।

চুতীয়া ৰাজ্য পূৱ অসমৰ মধ্যযুগৰ আৰম্ভণিতে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত উদ্ভৱ হৈছিল আৰু অন্যান্য জাতিগত ৰাজ্যসমূহৰ ভিতৰত এটা আছিল- আহোম, ডিমাচা, ত্ৰিপুৰা আদি। উত্তৰ-পূৱ অসম আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশৰ ইয়াৰ ৰাজধানী সদিয়াৰ চাৰিওফালৰ অঞ্চলসমূহত বিৰাজ কৰিছিল। মুখ্যতঃ অসমৰ লখিমপুৰ, ধেমাজি. তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ বৰ্তমানৰ জিলা সমূহক সামৰি লৈছিল। চতুৰ্থ শতিকাৰ শেষৰফালে চুতীয়া সকলে বৈষ্ণৱ পৰম্পৰা হিন্দুত্ব লাভ কৰিছিল।

১৫২৪ চনত চুহুং মুঙৰ অধীনত চুতীয়া সকলক আহোম ৰাজ্যৰ শোষণ কৰা হৈছিল। অৱশোষণৰ সময়ত, ৰাজ্যখন প্ৰান্তিক বা প্ৰচলিত জাতি প্ৰণালীৰ সৈতে হিন্দুকৰণ কৰা হৈছিল। যিবোৰ পিছলৈ মায়ামৰা সত্ৰৰ অধীনত একাচৰণ ধৰ্মত দীক্ষা দিয়া হোৱা নাছিল।

চুতীয়াসকলে এটা প্ৰাথমিক পুৰুষ দেৱতা আৰু নাৰী দেৱতাক উপাসনা কৰিছিল। পুৰুষজনক কুণ্ডিমামা, বালিয়া বাবা বা পিশাভেয়া বুলি কোৱা হৈছিল, যাক কছাৰী সকলে বাথাউ বা বাতাউ ব্ৰাই

বুলি কৈছিল আৰু মহিলা দেৱতাক কেচাইখাইটি বা পিশা-চি বুলি কোৱা হৈছিল। অন্যান্য বড়ো-কছাৰী গোটৰ মাজত সাধাৰণতে পোৱা জনজাতীয় দেৱী কেচাই খাইতিৰ উপাসনা পুৰোহিত শাখাৰ দ্বাৰা পৰিচালিত হৈছিল যাক আজিও দেউৰী লোক বুলি চিনাক্ত কৰা হৈছিল, যিটো আন বড়ো গোটৰ মাজত সমানে পোৱা যায়। অন্য দেৱদেৱী আছিল বুৰা আৰু বুক্তিৰি যি পিছলৈ হিন্দু প্ৰভাৱত শিৱ আৰু শক্তি হৈ পৰে।

ৰাজ্যত ব্ৰাহ্মণ সকলৰ বসতি স্থাপনৰ ফলত চুতীয়া শাসকসকলৰ হিন্দুকৰণ লাভ কৰে। আৰু শাসকসকলে অসুৰৰ পৰা তেওঁলোকৰ ঐশ্বৰিক অৱতৰণ দাবী কৰে।১৬ শতিকাত একশৰণ নামধৰ্মৰ উদ্ভৱ হোৱাৰ পিছত আৰু চুতীয়া ৰাজ্যৰ পতনৰ পিছত, চুতীয়াসকলৰ বাবে এটা নতুন হিন্দু বংগ নিৰ্মাণ কৰা হৈছিল। শংকৰদেৱৰ নীতিবিলাকৰ প্ৰসাৰৰ পিছৰে পৰা কিছুমান দেউৰীৰ বাহিৰে প্ৰায় সকলো চুতীয়াই বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল।

অসম বুৰঞ্জী লেখক চাৰ এডৱাৰ্ড গ্যেটে লিখিছিল- চুতীয়াসকলৰ ধৰ্ম আছিল বৰ কৌতুহলজনক। তেওঁলোকে কালীদেৱীৰ ভিন্ন ৰূপক উপাসনা কৰিছিল।

আপাত দৃষ্টিত চুতীয়াসকল শাক্ত, শৈৱ আৰু বিষ্ণুৰ উপাসক হিন্দু। চুতীয়াসকলে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিলেও কিছুমান ৰীতি-নীতি, পূজা-পাতলৰ গভীৰ বিশ্বাস আজিও বিদ্যামান।

# দ্বিতীয় অধ্যায়
# চুতীয়া সকলৰ কিছুমান ধৰ্মীয় পৰম্পৰা

## ডেউৰীসকলৰ নিৰ্বাচন প্ৰক্ৰিয়া ঃ

সমাজত পৰম্পৰা অনুসৰি যিকোনো ব্যক্তিয়ে ইচ্ছা কৰি বৰ-দেউৰী আৰু সৰু দেউৰী পদত অধিষ্ঠিত হব নোৱাৰিছিল। সাধাৰণতে অতীজৰ পৰা প্ৰচলন হৈ অহা নানা ৰকমৰ ধৰ্মীয় ক্ৰিয়া কাণ্ডৰ ওপৰত নিৰ্ভৰ কৰিহে বৰ দেউৰী সৰু দেউৰীৰ উপৰি বৰ ভড়ালী, সৰু ভড়ালী, পৰীয়া আদি পদসমূহত গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচন কৰি নিযুক্তি দিয়া ব্যৱস্থা কৰিছিল। দেউৰীসকল চুতীয়াৰ পুৰোহিত আছিল। দেউৰী শব্দই দেবকাৰ্য কৰা লোকক বুজায়; অৰ্থাৎ যিসকল লোক দেওশালীৰ শব্দই দেৱ-দেৱীৰ মন্দিৰৰ অধিকাৰী বা পূজাৰী তে ওঁলোকেই দেউৰী। চুতীয়া ভাষাত "দে" মানে ডাঙৰ, সন্মানিত বা গুণী; উ আৰু ৰী য়ে যথাক্ৰমে পুৰুষ আৰু প্ৰকৃতি বুজায়, অৰ্থাৎ সন্মানিত গুণী-মানী পুৰুষ-প্ৰকৃতি। প্ৰকৃতাৰ্থত চুতীয়াসকলৰ ভিতৰত যি কেইজন ডাঙৰ, গুণী-মানী মানুহ আছিল তেওঁলোকক দেউশালবোৰৰপৰিচালনাৰ বাবে দায়িত্বভাৰ দিয়া হৈছিল আৰু তেওঁলোকক দেউৰী বুলিছিল।

এই সংক্ৰান্তত ডম্বৰুধৰ দেউৰীয়ে এনেদৰে কৈছে- 'চুতীয়াৰ ভিতৰত জনা বুজা বিদ্বান আৰু শ্ৰেষ্ঠবিলাকেই দেউৰী নাম লৈ গোঁসাই-গোঁসানীৰ পূজা-সেৱা চলাইছিল। দেউৰী শব্দৰ আচল অৰ্থ কি এতিয়াও জানিবৰ পৰা নাই। অতি সংক্ষেপে এই যে; দেৱতাৰ বিষযেভালকৈ জানে আৰু পালিব পাৰে কাৰণেই দেউৰী বুলি কোৱা হয়। ভালকৈ দেউ পূজা কৰিব জনা হেতুকেই দেউৰী নাম পাই বুলিও বহুতে কয়। তেওঁবিলাকে যে ভালকৈ দেৱ-দেৱী পূজা কৰিব জানিছিল তাৰ প্ৰমাণ সিবিলাকৰ উৎপত্তি বিব ৰণটোৱেই দিয়ে।

## দেউৰী নিৰ্বচিনৰ বাবে ব্যক্তিৰ গাত থাকিব লগা প্ৰধান গুণসমূহ ঃ-

১। সাপে খুটা বা বাঘ কুকুৰ আদিয়ে কামুৰাৰ পৰা সম্পূৰ্ণ মুক্ত হব লাগিব।

২। শগুণ বা কাউৰীয়ে শৰীৰত বিষ্ঠা আদি ত্যাগ কৰিব নালাগিব।

৩। ব্যক্তিজন নিকা, পবিত্ৰ, সৎ-স্বভাব-চৰিত্ৰ হোৱাৰ উপৰি সকলোৰে মাজত বিশ্বাসী হব লাগিব।

৪। সমাজত পৰম্পৰাগত প্ৰথাক উলংঘ কৰি কোনো ব্যক্তিয়ে বৰ-দেউৰী অথবা অন্যান্য পদ লাভ কৰাৰ আশাত বাইজৰ আগত সত্য কথা ব্যক্ত নকৰে, তেতিয়া দেওধনীৰ জৰিয়তে দেৱীয়ে কেইদিনমানৰ ভিতৰতে

খুঁত দেখুৱাই দিয়ে বুলি সকলোৱে বিশ্বাস কৰি আহিছিল।

## সমাজত পৰম্পৰাগত বিধি অনুসৰি নিৰ্বাচিত ব্যক্তিসকলে পালন কৰা কৰিবলগীয়া মুখ্য কৰ্মসমূহঃ-

১। সামাজিক প্ৰথা অনুসৰি বৰ দেউৰী আৰু সৰু দেউৰী সকলৰ প্ৰধান কৰ্তব্য আৰু দায়িত্ব হ'ল- দেব দৌৱৰ সন্মুখত জীৱ জন্তু আদি বলি দিয়াৰ লগতে পূজা-পাতালৰ সকলোবোৰ কাৰ্য নিয়াৰিকৈ সম্পন্ন কৰা।

২। সৰু ভড়ালীৰ প্ৰধান কৰ্তব্য আৰু দায়িত্ব হ'ল পূজা -পাতালৰ প্ৰয়োজনীয় সকলোবোৰ বস্তু যোগান ধৰা।

৩। বৰা আৰু বাৰকিৰ প্ৰধান কৰ্তব্য আৰু দায়িত্ব হ'ল -পূজা-পাতাল আৰু অন্যান্য ধৰ্মীয় কাৰ্যবোৰ সমাধা কৰিবৰ বাবে গাৱঁৰ প্ৰত্যেকটো পৰিয়ালৰ পৰা পা-পইচা তোলা আৰু পূজা-পাতলৰ সময়ত নিয়মীয়াকৈ যোগান ধৰা।

৪। পৰীয়া সকলৰ প্ৰধান কৰ্তব্য আৰু দায়িত্ব হ'ল - মন্দিৰত ৰাতি দিন পৰ দি থাকি মন্দিৰক সুৰক্ষা দিয়াৰ উপৰি অন্যান্য সা-সম্পত্তিৰ ৰক্ষা কৰাৰ দায়িত্ব বহন কৰিব লগা হৈছিল।

## কুবেৰ দেৱতা পূজাঃ-

কুবেৰ দেৱতাৰ আশীৰ্বাদ আৰু কৃপাদৃষ্টি ফলতে বিৰপালৰ নেতৃত্বত চুতীয়া ৰাজ্যই প্ৰথম প্ৰতিষ্ঠা লাভ কৰিছিল। সেয়ে আদি ৰজা বীৰপালৰ দিনৰে পৰা নিয়মিতভাৱে কুবৰে দেৱতা পূজা বা যজ্ঞ অনুষ্ঠিত কৰি উলহ মালহে পালন কৰি অহা হৈছে। ১৫২৪ চনত আহোম সোনাৰ লগত চুতীয়া সৈন্যই পৰাজয় বৰণ কৰাৰ পিছত কুবেৰ দত্ত সম্পতী সমূহ লোপ হ'ল যদিও সেই দেওলগা সম্পদখিনি নামত অতীজৰ পৰা পৰম্পৰাগত ৰীতি-নীতি অনুযায়ী আজিও চুতীয়া সমাজত অতি যত্ন আৰু পবিত্ৰ মনে ভাৱ-ভক্তি কৰি উপাসনা কৰি আহিছে। বৰ্তমান যুগতো চুতীয়া সমাজৰ অধিক সংখ্যক পৰিয়ালে কুবেৰ দেৱতাৰ পূজাৰ নামত একন দেৱী প্ৰতিষ্ঠা কৰি দেওলগা সম্পদখিনি তিনিঠেঙীয়া বেটা কাঁহিৰ ওপৰত ৰাখি ঢাকোন দি প্ৰতিদিনে নিজ গৃহত, বাৰ্ষিক উৎসৱ আৰু বিহু আদিত প্ৰতিবছৰে শ্ৰদ্ধা-ভক্তিয়ে সেৱা প্ৰাৰ্থনা কৰি পূজা অৰ্চনা কৰি আহিছে। জনবিশ্বাসমতে এনে তিনিঠেঙীয় কাঁহীৰ বেৰা অংশত (বৃত্তত) শিৱই বাস কৰে আৰু পাত্ৰটো মাজত বামধ্যাত সতী পাৰ্বতী বা মহাকালিকা বাস কৰে। সেয়ে কুবেৰ সম্পত্তিক বেৰা কাঁহীত সংৰক্ষণ কৰি ৰখা হয়।

কুবেৰ দেৱতাৰ প্ৰধান ভঁৰাল হ'ল আঠটা। যেনে পদ্ম, মহাপদ্ম, সঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, নীল আৰু খৰ্ব। কুবেৰৰ এই আঠোটা ভঁৰালক অষ্টনিধিৰ বুলিও কোৱা হয়। অন্যহাতে এই আঠোটা ভৰাল (নিধি) আঠটা দিশত অৱস্থিত। সেয়া হ'ল - উত্তৰ দিশৰ স্থানত পদ্ম, দিশৰ স্থানত মহাপদ্ম, পূব দিশৰ স্থানত শংখ, নৈৰিত দিশৰ স্থানত মকৰ, দক্ষিণ দিশৰ স্থানত কচ্ছপ, বায়ু দিশৰ স্থানত মুকুন্দ, পশ্চিম দিশৰ স্থানত নীল আৰু ঈসান দিশৰ স্থানত খৰ্ব। সেইদৰে প্ৰত্যেকটো ভঁড়ালক বুজাবলৈ এফাল কৈ নাৰিকল ব্যৱহাৰ কৰা হয় আৰু ই হ'ল অতীজৰ পৰা প্ৰচলন হৈ অহা সামাজিক প্ৰথা বা বিধি।

## ৰৰবালি সভা বা সকাম ঃ-

চুতীয়া ৰাজ্যৰ অৱসান ঘটাৰ পিছত ওপৰত আলোচনা কৰা দেৱ-দেৱীৰ থান সমূহৰ উপৰি বৰ্তমান শদিয়া অঞ্চলৰ চুতীয়া, আহোম, নেপলী, কোচ, কলিতা, মিচিং আদি বিভিন্ন জাতি উপজাতি আৰু ধৰ্মীয় মানুহে বৰ্ণ-ধৰ্ম নিৰ্বিশেষে ভেদা-ভেদ ত্যাগ কৰি আঘোণ মাহৰ পূৰ্ণিমা তিথি দিনা প্ৰতি বছৰে ৰৰবালি নামৰ এটা বৃহৎ সকাম অতীজৰ পৰা অনুষ্ঠিত কৰি আহিছে। জনশ্ৰুতি মতে চুতীয়া আৰু আহোম সৈন্যবাহিনী এগোট হৈ মানৰ সোনৰ লগত যুদ্ধ কৰোঁতে যিবিলাক চুতীয়া আৰু আহোম সেনা তথা মান সৈন্য মৃত্যু বৰণ কৰিছিল তেওঁলোকক পৃথক স্থানলৈ নিয়াৰ পৰিবৰ্তে সকলোকে একলগ কৰি ব্ৰহ্মপুত্ৰৰ বালি চৰত বালি দি পুতি ৰখা হৈছিল। সেই তেতিয়াৰ পৰাই এই স্থানতে ৰৰবালি সকাম নামেৰে প্ৰতি বছৰৰ আঘোণ মাহৰ পূৰ্ণিমা তিথিৰ দিনা সমূহ শদিয়া অঞ্চলৰ মানুহ একগোট হৈ বৰ্তমান আমাৰ সমজত দহা-কাজ কৰা ধৰণে সম্পূৰ্ণ গায়ন-বায়নে খোল-তাল বজাই শৰাইত মাহ-প্ৰসাদ, নাৰিকল, কল, ধূপ-ধূনা, বন্তি জ্বলাই শ্ৰদ্ধা ভক্তিৰে সোৱ প্ৰাৰ্থনা জনাই অনুষ্ঠিত কৰি আহিছে।

## চুতীয়া সমাজৰ ডাঙৰীয়া পূজা বা সকাম ঃ-

চুতীয়া সমাজত ডাঙৰীয় নামেৰে এজন অপদেৱতাক গভীৰ বিশ্বাস কৰাৰ লগতে কিছুমান বিশযে ৰীতি-নীতিয়ে পূজা- পাতল দি শ্ৰদ্ধা ভক্তি কৰি আহিছে। এই অপদেৱতাক যদি ভালদৰে সন্তুষ্ট কৰি ৰখা নহয়, তেন্তে গাঁৱৰ পোহনীয়া জীৱ-জন্তু আৰু পৰিয়ালৰ মানুহৰ নানা ধৰণৰ ৰোগ-ব্যাধি, অপায় অমংগল আদি সৃষ্টি কৰি থাকে। সেয়ে এনে ৰোগ-ব্যাধি অপায়অমংগলৰ পৰা নিৰাপদে থাকিবৰ কাৰণে চুতীয়া সমাজৰ বহু পৰিয়ালে ডাঙৰীয়াক সন্তুষ্ট ৰাখিবৰ কাৰণে বিশযৈকৈ পকা-পষ্টীসকলে সাজপানী বা মদ, মাছ-মাংস আৰু এগছি চাকি জ্বলাইসোৱা কৰি শ্ৰদ্ধা জনাই স্মৰণ কৰি আহিছে। অন্যহাতে কেঁচা-পষ্টীসকলে এগছি চাকি জ্বলাই, এৰা গাখীৰ , কেঁচা পিঠাগুড়ি, কল, বুট, মগু আদি উপকৰণেৰে ডাঙৰীয়া

পূজা বা সকাম পতাৰ প্ৰথা কম-বেছি পৰিমাণে চুতীয়া সমাজত এতিয়াও প্ৰচলন থকা দেখা যায়।

## গৰখীয়া পূজা বা সবাহ ঃ-

সাধাৰণতে ভাদ আৰু আহিন মাহত গৰু পোৱালী জগা সময়ছোৱাত বা যি কোনো মাহত গৰু পোৱালী জগিলে মানুহে গাখীৰ খিৰাই খোৱাৰ পূৰ্বে ফেঁচ্ছ বা গাখীৰ খিৰাই কুমলীয় বাঁহৰ চুঙাত সিজাই আগলি কলপাতত ভালদৰে সজাই পৰাই ক্ষুদ্ৰ ক্ষুদ্ৰকৈ কাচি ধান খেৰ অথবা বাঁহৰ কাঠিৰে চিলাই গৰু পোৱালীটোৰ ডিঙিত, কাণত, সৰীৰত আৰু নেজ আদিত প্ৰথমে পিন্ধাই দিয়া হয়। ইয়াৰ পাছত গৰখীয়া ল'ৰা-ছোৱালীক বিতৰণ কৰি খাবলৈ দিয়াৰ উপৰি ওচৰ চুবুৰীয়া সকলৰ মাজতো বিতৰণ কৰি দিয়া হয়। এনে কাৰ্যভাগ কৰিলে পোৱালীটো অপশক্তিৰ পৰা সম্পূৰ্ণ মুক্ত হৈ থাকে বুলি চুতীয় সমাজত অতীজৰ পৰা বিশ্বাস কৰি অহা দেখা যায়। অৱশ্যে অঞ্চলভেদে কিছুমান লোকে কেইজনমান ভকত বৈষ্ণৱক নিমন্ত্ৰণ কৰি সন্ধ্যা ভাগত মাহ-প্ৰসাদ গাখীৰ আৰু কলেৰে গৰখীয়া পূজাভাগ চোতালত অনুষ্ঠিতি কৰা দেখা যায়। সামাজিক মতে সন্ধ্যা লগাৰ পূৰ্বে চোতালখন ভালদৰে মচি চাফ-চিকুণ কৰি গৰখীয়া ল'ৰা-ছোৱালী আৰু দুই এজন বয়োজ্যেষ্ঠ ব্যক্তিক আমন্ত্ৰণ কৰি চোতালত আসন গ্ৰহণ কৰিবলৈ দিয়া হয় আৰু দুই এছিলিম গাঞ্জাসহ শিৱৰ নামত পূজাভাগ অনুষ্ঠিতি কৰে। কিছুমান পৰিয়ালে কোটা পিঠগুড়ি আৰু এৰা গাখীৰ প্ৰস্তুত কৰা পায়স কল-মিঠৈসহ ধূপ-ধুনা জ্বলাই ভগৱানৰ নামত আসন পাতি আগবঢ়াই দিয়া হয়। গৃহস্থৰ ঘৰৰ ল'ৰা অথবা তেওঁ অবিহনে আনে সেৱা কৰাৰ অন্তত জেষ্ঠ্য ভকত এজনে মঙ্গলাশীবাদ দি কবলৈ ধৰে গৃহস্থৰ গোহালীৰ গৰু অপশক্তিৰ পৰা মুক্ত কুশলে থাকক, বাঘৰ পৰা নিৰাপদে থাকক, যিকোনো ৰোগ পাধিৰ পৰা মুক্ত হৈ থাকক ইত্যাদি সম্পৰ্কে মঙ্গলাশীৰ্বাদ দিয়ে। ইয়াৰগৰখীয়া ল'ৰা-ছোৱালীসকলে হৰিধনি দিয়ে শেষত বয়সস্থ ব্যক্তিজনে সকলোকে কলপাতত প্ৰসাদখিনি বিতৰণ কৰি দিয়াৰ পাছত তেওঁলোকক প্ৰসাদ গ্ৰহণৰ বাবে অনুমতি দিয়ে আৰু তেওঁলোক সকলোৱে মিলি খায়। অৱশ্যে এনেকুৱা অসমৰ অন্যান্য জনগোষ্ঠীৰ সমাজ স্থিৰ কৰা দেখা যায়।

## অপেশ্বৰী পূজা ঃ-

চুতীয়া সমাজত জনবিশ্বাস অনুসৰি কেতিয়াবা সৰগৰ পৰামৃতকৰ পূণ্যাত্মাবোৰ নামি আহি দুপৰীয়া সময়ছোৱাত পৃথিৱীৰ কোনো স্থানত মৰ পাতে। এনে মৰলৰ ছাঁ কোনো ল'ৰা-ছোৱালীয়ে গচকিব নেপায়। যদি অজানিতে কোনোৱে মৰলৰ ছাঁ গচকে অথবা সেই স্থানৰ পৰা অহাৰ পিছত ৰোগ -ব্যাধি বা জ্বৰ

আদি সৃষ্টি হয়, তেতিয়া সেই পূণ্যাত্মাবোৰৰ অপদৃষ্টি পৰা বিশ্বাস কৰি তেওঁলোকৰ সন্তুষ্টিৰ কাৰণে এই অপেশ্বৰী পূজা অনুষ্ঠিত কাৰ হয়। সাধাৰণতে মৰল হ'ল সৰগৰ পূণ্যাত্মা সকলৰ পদ্ম চক্ৰ আসন, বিষ্ণু সভাকক্ষ বুলি সকলোৱে অতীজৰ বিশ্বাস কৰি আহিছে বৰ্তমান এনেধৰণৰ পূজা সমাজৰ পৰা ক্ৰমান্বয়ে বিলুপ্তি ঘটিব ধৰিছে।

অপেশ্বৰী পূজাৰ ৰীতি-নীতি- অপেশ্বৰী সবাহ দেওবাৰ বা ৰবিবাৰে ভৰ দুপৰীয় অনুষ্ঠিতি হয়। দেওবাৰ বা ৰবিবাৰটো সূৰ্য্যৰ লগত জড়িত। আনহাতে লোকবিশ্বাস অনুসৰি অপেশ্বৰী সূৰ্য্যৰ কন্যা। গতিকে এই সময়ত অনুষ্ঠিত অপেশ্বৰী সবাহতো যেন সূৰ্য্যৰ লগত অপেশ্বৰীসকলৰ গভীৰ সম্পৰ্ক ৰক্ষিত হৈছে।

উজনি অসমত বুঢ়ী বিধাই পিঠাগুৰি, এৰা গা খীৰ, কল আদি উপৰকণেৰে ভৰদুপৰীয়াঅপেশ্বৰী সবাহ পাতে। ঘৰৰ মাজ চোতালত চাৰিটা খুটি পুতি সৰু ৰভা এখন দিয়ে, অথবা উখ খুটি এটা পুতি ইয়াৰ ওপৰত জাপি এটা দি ৰভাৰ কাম চলোৱা হয়। ৰভা বা জাপিৰ তলত দেবদী এটা সাজি তাত- চাকি - ভূপ-ধুনা আদি জ্বলাই দিয়াৰ পিছত নৈবেদ্য আগবঢ়াই দি মহিলাসকলে নাম ধৰে।

নামনি অসমৰ বিশযেকৈ কামৰূপৰ অঞ্চলবিশেষে মাজ চোতালক মণ্ডপ আৰু বেদী নিৰ্মাণ কৰি তাত তিনিটা বিস্তৃত বৃত্ত অংকন কৰে। এই বৃত্ত কেইটাত পিঠা গুৰিৰে মণ্ডল দি সোঁমাজত অপেশ্বৰা সবাহ আৰু নাম সম্পাদন কৰা দেখা যায়। অপেশ্বৰীৰ ৰূপত তিনিজনী বা পাঁচজনী (বিযুৰীয়াকৈ) অকুমাৰী ছোৱালীক সু-সজ্জিত কৰি পূজা স্থলত বিশেষ আদৰ-সাদৰ আৰু সন্মানেৰে আসনত হৱহুৱাই থয়। অপেশ্বৰীসকলৰ উপৰিও সূৰ্য্য আৰু পঞ্চদেৱতাৰ পূজা ব্ৰাহ্মণ-পুৰোহিতে আৰম্ভনিতে সম্পন্ন কৰে সেইদনা আবেলিহে মহিলাসকলে নামধৰে। সবাহৰ নাম গাওঁতে চাপৰি মৰা নহয়। নাম সময়ত গৃহস্থৰ পৰিয়ালবগহি বিশেষকৈ মহিলাসকলে হাতযোৰ কৰি পূজা থলীতৰ ওচৰতে বহি থাকে। পূজা নাম আৰম্ভণিত নামতীয়ে আশীৰ্বাদৰ অন্ত দিহা আৰু পদযুক্ত গীত-পদ আবৃত্তি কৰা হয়।

## তৃতীয় অধ্যায়

# চুতীয়া সকলৰ কেইখনমান ধৰ্মীয় থান

## গেৰা বা বুঢ়া-বুঢ়ী থান ঃ

অতীজত চুতীয়া ৰজাসকলৰ শাসন কালত মেছেকীত এই বুঢ়া-বুঢ়ী থানখন প্ৰথম প্ৰতিষ্ঠা কৰা হৈছিল। অৱশ্যে থানখন প্ৰতিষ্ঠা কৰাৰ দিনৰে পৰা আজি পৰ্যন্ত মেছেকী অঞ্চলত জীৱ-জন্তু আদি উৎৰ্গা কৰি পূজা-পাতল দি উপাসনা কৰাৰ উপৰি থানখনক পুনৰ শদিয়াৰঘামুৰা নৈৰ পাতৰ নতুনকৈ প্ৰতিষ্ঠা কৰা হৈছে। বৰ্তমান থানখন শদিয়াৰ ঘামুৰা নৈৰ পাৰতে অৱস্থিত আৰু শদিয়া অঞ্চলৰ কেইবাখনো গাঁৱৰ বাসিন্দাই একগোট হৈ বিভিন্ন ব্যক্তিৰ মতামত আৰু আলাপ-আলোচনা কৰি এখন কমিটি গঠন কৰি থানখনক প্ৰতিষ্ঠা কৰাৰ দিনৰে পৰা এতিয়াও প্ৰচলিত ৰীতি-নীতিয়ে দেৱ-দেৱীৰ নামত নানা ধৰণৰ জীৱ-জন্তু যেনে- ম'হ, একে ৰঙৰ পঠা ছাগলী, হাঁহ, পাৰ চৰাই, গাহৰি, ঘোঁৰা, মাছ ইত্যাদি উপৰি কচু, কল পচলা , কেমেৰা, মাছ-প্ৰসাদ, ধুপ-ধুনা, বন্তি জ্বলাই দেৱ-দেৱীৰ নামত উছৰ্গা কৰি বলি বিধানৰ দ্বাৰা পূজা পাতল দি উপাসনা কৰি আহিছে। অতীজৰ দিবঙীয়া খেলৰ মানুহে এই গেৰাসী, গো বা বুঢ়া-বুঢ়ী বা মহাদেৱ-পাৰ্বতীক বিভিন্ন নামেৰে নামাকৰণ কৰি দেৱ-দেৱীৰ সন্তুষ্টি কাৰণে নানা ধৰণৰ জীৱ-জন্তু উছৰ্গা কৰাৰ উপৰি কল পচলা, কচু, কেমোৰা আদি বলি দিয়াৰ লগতে মাহ-প্ৰসাদ, ধূপ-ধুনাস বন্তি জ্বলাই দেৱ-দেৱীসকলক শ্ৰদ্ধা -ভক্তিৰে প্ৰাৰ্থনা জনাই উপাসনা কৰি আহিছিল। শদিয়া অঞ্চলৰ জনসাধাৰপ মাজত প্ৰচলিত জনবিশ্বাস অনুসৰি বুঢ়া-বঢ়ী বা মহাদেৱ পাৰ্বতীৰ পুত্ৰ হ'ল-বলিয়া বাব, জীয়েক দুজনী নাম হ'ল -তাম্ৰেশ্বৰী বা কেচাখাইতী গোঁসানী আৰু শ্ৰী শ্ৰী পাতশাল গোঁসানী। সেয়ে আদিম যুৰগপৰা গেৰা বা বুঢ়া-বুঢ়ী বা মহাদেৱ-পাৰ্বতীক পূজা পাতল দি উপাসনা কৰা ধৰণে তেওঁলোকৰ পুত্ৰ আৰু জীয়েক সকলকো একেটা দিনতে জীৱ-জন্তু আৰু অন্যান্য দ্ৰব্য উছৰ্গা কৰি উপাসনা কৰি আহিছে। অতীজত চুতীয়া সকলে ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনা ব'হাগ বিহু আৰম্ভ কৰাৰ পৰিবৰ্ত্তে ব'হাগ মাহৰ প্ৰথম বুধবাৰ দিনাখন থান সমূহত পূজা-পাসত দিয়া পিছতহে বিহু মৰা কাৰ্য্য আৰম্ভ কৰিছিল। সেইদিনাখন প্ৰতিখন থানতে বিভিন্ন জীৱ-জন্তু যেনে- মহ, একে ৰঙৰ হাঁহ, পাৰ চৰাই, পঠা ছালগী আদি জীৱ-জন্তুক উছৰ্গা কৰি বলি দি পূজা-পাতল দিয়া উপৰি অন্যান্য মাহ প্ৰসাদ, কল, ধূপ-ধূনা বন্তি আদি জ্বলাই আজিও পূজা-সেৱা কৰি আহিছে। অৱশ্যে আহাৰ মাহৰ অম্বুবাচী দিনাৰ পৰা অম্বুবাচীৰ শেষত চুৰা ভাঙি শুচি কৰা দিনাৰ কোনো ভক্তই দেৱীৰ নামত আগবঢ়াই উছৰ্গা কৰা ম'হ আৰু পাঠা ছাগলীৰ সংখ্যাৰ কোনো বছৰত ইয়াৰ পৰিমাণ ১৫-২০ টা লৈকে সংগ্ৰহ হোৱাৰ উদাহৰণ বিৰল নহয়। সাম্প্ৰতিক কালত এই পূজাটো প্ৰতি বছৰে অতি উলহ-মালহেৰে অনুষ্ঠিত কৰাৰ পৰিৱৰ্তে বিভিন্ন কাৰণত সকলো গএগ ৰাইজ একগোট হৈ তিনি বছৰৰ মূৰত অনুষ্ঠিত কৰিবলৈ লৈছে। তদুপৰি শদিয়াবাসী ৰাইজে আহিন আৰু কাতি

মাহত দূৰ্গা পূজাৰ পাছত দূৰ্গা, কালী গোঁসানী আদি নামত সেই একেধৰণৰ জীৱ-জন্তু আৰু নান ৰকমৰ দ্ৰব্যৰে দেৱ-দেৱীৰ নামত উছৰ্গা কৰি আজিও গভীৰ শ্ৰদ্ধা-ভক্তিৰে উপাসনা কৰি আহিছে। উল্লেখযোগ্য কথা হ'ল এই গৰোসী, গেৰ বা বুঢ়া-বঢ়ী থানত প্ৰথম পূজা-পাতল দিয়া পাছতহে অন্য থান বিলাকত সেই একে দিনটোতে দেৱ-ৱৌ সকলক পূজ-পাসত দিয়া নিয়ম পালন কৰা হয়। অৱেযে এনে ৰীতি-নীতিৰ ক্ষেত্ৰত কেতিয়াবা অগা-পিচা হোৱাৰ উদাহৰণ বিৰল নহয়।

## তামেশ্বৰী মাতৃৰ মন্দিৰ ঃ



***তামেশ্বৰী দেৱী***

তামেশ্বৰী মন্দিৰ বা কেচাই খাইতি [illegible] প্ৰদেশৰ সামান্তত অৱস্থিত এক ঐতিহাসিক মন্দিৰ। অসমৰ তিনিচুকীযা জিলাৰ শদিয়াৰ পৰা প্ৰায় ১৮ কিঃমিঃ নিলগত বৰ্তমান এই মন্দিৰৰ ধংসৱশেষ আৰু অৰুণাচল প্ৰদেশৰ লোহিত জিলাত অৱস্থিত । এই মন্দিৰ তাম্ৰেশ্বৰী বা কেঁচাই খাইতি দেৱীলৈ উছৰ্গিত। তাম্ৰেশ্বৰী দেৱী হিন্দু ধৰ্মৰ কালী, তাৰা, চামুণ্ডা আদিৰ দৰে উগ্ৰ দেৱী। কিছুমানৰমতে এই মন্দিৰ জনজাতীয় লোকেদেৱী কেঁচাই খাইতিৰ মূল মন্দিৰ। কেঁচাই খাইতি দেউৰী জনগোষ্ঠিৰদেৱী আছিল কালিকা পুৰাণত উল্লিখিত মতে দিক্কৰ বাসিনী নামৰ এখন শক্তিপীঠ আছিল। দক্কিৰ বাসিনী দুটা ৰূপ বিদ্যামান, তীক্ষ্ণ কণ্ঠ আৰু ললি কণ্ঠ। তীক্ষ্ণ কণ্ঠৰ দেহৰবৰণ ক'লা আৰু পেট ঘটিৰ দৰে। এইৰূপক উগ্ৰতাৰা বা এক জঁট বোলে। ললিত কণ্ঠ, ধুনীয়া আৰু আকৰ্ষণীয় আৰু তেওঁক তাম্ৰেশ্বৰী বেলা হয়। তাম্ৰেশ্বৰী মন্দিৰত অতীত নৰবলি প্ৰথা প্ৰচলি আছিল। পিছলৈ মন্দিৰত প্ৰচলিত নৰবলি প্ৰক্ৰিয়া আহোম শাসকসকলে বন্ধ কৰি দিছিল। তাম্ৰেশ্বৰী মন্দিৰ তাম ধাতুৰে নিৰ্মাণ কৰা হৈছিল। বিশেষকৈ ইয়াৰ ছাদ তামেৰে তৈয়াৰ কৰা হৈছিল। ইয়াৰ পৰায়ে তাম্ৰেশ্বেৰী নামটো প্ৰচলিত হ'ল। আনহাতে কেঁচাই খাইতি

নাম ইয়াৰ উগ্ৰ স্বভাব আৰু নৰবলি প্ৰথাৰ পৰা আহিছে বুলি গণ্য কৰা হয়। আদিম অৱস্থাত চুতীয় সমাজত তাম্ৰেশ্বৰী মাতৃ দেৱীৰ মন্দিৰৰ মহাত্ম্য ইমান প্ৰভাৱশালী আছিল যে আবৰ, মিচিমি, চিংফৌ আদিৰ উপৰি তিব্বত, চীন, ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা নানা জাতি-উপজাতিৰ মানুহ আহি এই তাম্ৰেশ্বৰী মাতৃ মন্দিৰক ভয় আৰু ভক্তি কৰি বিভিন্ন সময়ত নান ৰকমৰ জীৱ-জন্তু যেনে - ম'হ, পঠা ছাগলী, হাঁহ, পাৰ চৰাই আদি দেৱীৰ ওচৰত উছৰ্গা কৰি পূজা-পাতল দি মঙ্গলাশীৰ্বাদ গ্ৰহণ কৰিছিল। অৱশ্যে বৰ্তমান সময়তো ব'হাগ মাহৰ সংক্ৰান্তি দিনটো যদি বুধবাৰ হয়, নহ'লে মাহটোৰ প্ৰথম সপ্তাহৰ বুধবাৰ দিনটোত সকলো গঞা ৰাইজ একগোট হৈ কেঁচাইখাইতী দেৱীৰ নামত জীৱ-জন্তু আৰু কোমোৰা, কল পচলা আদিৰে মাহ-প্ৰসাদ, ধূপ-ধূনা, বন্তি জ্বলাই দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাই আহিছে।

দ্বিতীয়তে, অতীজত পৰম্পৰাগত প্ৰথা অনুযায়ী আহাৰ বসুমতি আই সাট চুৱা লগা দিনাৰপৰা চুৱা ভঙা দিনাখন অথবা ব'হাগ বিহুত তাম্ৰেশ্বৰী মাতৃ দেৱীৰ মন্দিৰত নৰ বলি দিয়াৰ উপৰি নানা ধৰণৰ জীৱ-জন্তুক উছৰ্গা কৰি বলি দিয়াৰ লগতে নানা ধৰণৰ দ্ৰব্য উছৰ্গা কৰি পূজা-পাতল দি উপাসনা কৰি আহিছিল। স্বৰ্গদেউ গৌৰীনাথ সিংহ, ইংৰাজ সলকৰ দ্বাৰা নৰবলি প্ৰথা বন্ধ কৰা, দেশে স্বাধীনতা লাভ কৰা পাছতে নতুন আইনৰ প্ৰবৰ্তন, সংবিধানিক আইনৰ কাৰ্যকৰী প্ৰয়োগত কঠোৰ নিৰ্দেশ, সচেতন ব্যক্তি সকলৰ প্ৰতিবাদ আৰু আৰ্থ-সামাজিক নানা কাৰণত নৰ বলি দিয়া পৰিবৰ্তে প্ৰতি বছৰে সমাজৰ তৰফৰ পৰা এটা ম'হ, একে ৰঙৰ পঠা ছাগলী, হাঁহ, পাৰ চৰাই, কোমোৰা, কল পচলা আদি দেৱী ওচৰত উছৰ্গা কৰি বলি দি পূজা-পাতলৰ ব্যৱস্থা কৰা হৈছিল যদিও বিভিন্ন কাৰণত প্ৰতি বছৰে ম'হ বলি দিয়াৰ পৰৱিৰ্তে তিনি বছৰৰ মূৰত দিয়া ব্যৱস্থা কৰা হৈছে। অৱশ্যে পৰম্পৰাগত প্ৰথা অনুসৰি শদিয়া অঞ্চলত থকা আটাইকেইখন থানতে দেৱ-দেৱীৰ নামত জীৱ-জন্তু আৰু অন্যান্য বস্তু উছৰ্গা কৰি বলি দিয়াৰ উপৰি মাহ-প্ৰসাদ, ধূপ-ধুনা, বন্তি আদি জ্বলাই অতি উলহ-মালহেৰে দেওধ্বনি নৃত্য পৰিৱেশন কৰি দেৱ দেৱীৰ ওচৰত প্ৰাৰ্থনা জনোৱা লগতে স্থানীয় বাসিন্দা আৰু শদিয়া বাসী ৰাইজৰ মঙ্গল কল্যাণ কৰি অনুষ্ঠিত কৰি আহিছে। তৃতীয়তে, কাতি মাহৰ সংক্ৰান্তি দিনাখন বুধবাৰ হয়। যদি নহয় তেতিয়া প্ৰথম সপ্তাহৰ বুধবাৰ দিনটোত স্থানীয় বাসিন্দা সকলে একগোট হৈ সমূহীয়াভাৱে শদিয়া অঞ্চলত থকা চাৰিখন থানতে দেৱ-দেৱী সকল সন্তুষ্টিৰি বাবে এই পূজা ভাগ অনুষ্ঠিত কৰি অহা হৈছে। এনে পূজাত একে ৰঙৰ পঠা ছাগলী , হাঁহ পাৰ চৰাই, কোমোৰ, কল পচলা আদি দেৱীৰ ওচৰত উছৰ্গা কৰি পুৰোহিত সকলৰ দ্বাৰা বলি দিয়া লগতে মাহ-প্ৰসাদ, ধূপ-ধূনা, বন্তি জ্বলাই দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাই উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। যদি পৰম্পৰাগত বিধি অনুযায়ী পূজা-পাতল দি দেৱ-দেৱীসকলক সন্তুষ্ট কৰা নহয়, তেন্তে গাঁৱত নানা ধৰণৰ অপায়-অমংগল, খেতি পথাৰত শস্যৰ ৰোগ-ব্যাধি সৃষ্টি, নানা দুৰ্ঘটনা, প্ৰাকৃতিক

# পঞ্চম অধ্যায়
## সামৰণি

## উপসংহাৰঃ

অসমত বিভিন্ন জনগোষ্ঠীৰ লোকে শাসন চলাই অহাৰ প্ৰমাণ আছে। চুতীয়া জনগোষ্ঠীও হৈছে অসমত শাসন কৰা এক প্ৰাচীন সমৃদ্ধিশালী জনগোষ্ঠী। প্ৰত্যেক জাতি-জনগোষ্ঠীয়েই নিজস্ব ধৰ্মীয় তথা লোকবিশ্বাসেৰে পৰিপূৰ্ণ। চুতীয়া সকলো আছিল ধৰ্ম আৰু লোকবিশ্বাস নিজস্বভাৱে চহকী। চুতীয়া সকলৰ দ্বাৰা নিৰ্মিত থান বা মন্দিৰ সমূহৰ মান্যতা আজিৰ যুগতো কোনো প্ৰকাৰে কমি অহা দেখা নাযায়। চুতীয়া সমাজত প্ৰচলিত লোকবিশ্বাস যেনে লোক বিশ্বাসত জন্ম, পঞ্চামৃত ভোজনৰ পৰ্ব, মৃতকৰ সৎকাৰ আৰু কাজ কৰ্ম, ভেকুলী বিবাহ আদিবোৰ অতীজৰে পৰা বৰ্তমানলৈকে নিৰবচ্ছিন্নভাৱে চুতীয়া সমাজত চলি অহা দেখা পোৱা যায়। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত চুতীয়া সকলৰ ধাৰ্মীক কাৰ্য আৰু লোকবিশ্বাস বোৰত কিছু পৰিবৰ্তন ঘটিছে যদিও স্বকীয়তা ম্লান যোৱা নাই। এই পৰিবৰ্তন সমূহে বহু ক্ষেত্ৰত এই লোকবিশ্বাস সমূহক পৰিশীলিত আৰু নৰিমৰ্জিত ৰূপ প্ৰদান কৰিছে।

## অধ্যয়নৰ শেষত প্ৰাপ্ত সিদ্ধান্তঃ

১। চুতীয়া জনগোষ্ঠী হ'ল অসমৰ অতি প্ৰাচীন আৰু ইতিহাসে ঢুকি নোপোৱা এক বাৰেৰহণীয়া সংস্কৃতিয়ে সমৃদ্ধিশালী এক উন্নত জনগোষ্ঠী।

২। ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিচাৰ বিশ্লেষণ কৰিলে দেখা যায় যে চুতীয়া সকল হ'ল প্ৰাচীন কীৰাট জনগোষ্ঠীৰ সতি সন্ততিৰে বংশধৰ। সেয়ে তেওঁলোকৰ ধৰ্মীয় বিশ্বাস অনুসৰি বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি শক্তিৰ পৰম পুৰুষ হ'ল- "কুণ্ডি" আৰু প্ৰকৃতিৰ নাম হ'ল "মহামায়া" আন নাম হ'ল "সতী"।

৩। চুতীয়া সমাজত পুৰোহিত সকলক দেউৰী বোলা হৈছিল। দেউৰী শব্দই দেৱকাৰ্য কৰা লোকক বুজায়।

৪। চুতীয়া সমাজ ব্যৱস্থাৰ অধ্যয়ন কৰিলে দৈনন্দিন জীৱন-যাপনত তেওঁলোকৰ জন্ম, বিবাহ, মৃত্যু বছৰেকীয়া, ভেকুলী বিবাহ আদি সম্পৰ্কত বহুতো নীতি-নিয়ম বা ধাৰ্মীক কাৰ্য দৃষ্টিগোচৰ হয়। বৰ্তমান সময়ত ইয়াৰ বহুতো নিয়ম প্ৰণালীৰ সাল-সলনি বা

লুপ্ত হৈছে যদিও অন্যান্য বহুতো নীতি-নিয়ম আজিও চুতীয়া সমাজৰ মাজতো পূৰ্বৰ দৰেই পালন কৰা দেখা যায়।

৫। অসমৰ অতি প্ৰাচীন জনগোষ্ঠী চুতীয়াসকলৰ ধৰ্মীয় বিশ্বাস, লোকবিশ্বাস, মঠ-মন্দিৰ, থানসমূহ অসমীয়া জনজীৱনৰ এক অবিচ্ছেদ্য অংগ। যাৰ মাজতো আজিৰ সময়তো কোনো ক্ষেত্ৰতে কমি যোৱা দেখা নাযায়।

## সহায়ক গ্ৰন্থপঞ্জী ঃ


১। বৰা ভদ্ৰেশ্বৰ ঃ অমসৰ চুতীয়া জনগোষ্ঠীৰ ইতিহাস আৰু বিৱৰ্তন।
ডেইজী বৰা, প্ৰকাশক
প্ৰথম প্ৰকাশন অক্টোবৰ ২০১৬

২। বৰুৱা স্বৰ্ণলতা ঃ চুতীয়া জাতিৰ বুৰঞ্জী
চুতীয়া জাতিৰ বুৰঞ্জী প্ৰণয়ণ সমিতি সদৌ চুতীয়া জাতি সন্মিলন,
অসমঃ
প্ৰকাশক
প্ৰথম প্ৰকাশন ঃ ২১ এপ্ৰিল ২০০৭

৩। ভট্টাচাৰ্য্য ড° প্ৰমোদ চন্দ্ৰ ঃ অসমৰ জনজাতি
প্ৰথম প্ৰকাশনঃ ১৯৬২

৪। দত্ত সুমন ঃ অসমৰ জনজাতীয় অধ্যয়নৰ পৰিক্ৰমা।

৫। খনিকৰ সূৰ্য্যকান্ত ঃ চুতীয়া জাতিৰ ইতিহাস আৰু লোকসংস্কৃতি
শ্ৰীমতী দেৱযানী শইকীয়াঃ
প্ৰথম প্ৰকাশিকা
প্ৰথম প্ৰকাশন ঃ ১৯৯১।
অনন্ত কুমাৰ নেওগঃ দ্বিতীয় প্ৰকাশন
দ্বিতীয় প্ৰকাশন ঃ ২০০৩

## তথ্যদাতাৰ তালিকা ঃ

১। শ্ৰীযুত পুতুল বৰা

লিংগ ঃ পুৰুষ

বয়স ঃ ৬৩

বৃত্তি ঃ অৱসৰপ্ৰাপ্ত শিক্ষক

ঠিকনা ঃ ৰঙাজান, দোলাকাষৰীয়া গাওঁ, তিতাবৰ, ডাক - ৰঙাজান

তথ্য সংগ্ৰহৰ তাৰিখঃ ১৩-০৬-২০২২

২। শ্ৰীযুত পৰাগ বৰা

লিংগ ঃ পুৰুষ

বয়স ঃ ৪২

বৃত্তি ঃ শিক্ষক

ঠিকনা ঃ ৰঙাজান, দোলাকাষৰীয়া গাওঁ, তিতাবৰ, ডাক - ৰঙাজান

তথ্য সংগ্ৰহৰ তাৰিখঃ ১৩-০৬-২০২২

৩। শ্ৰীযুত বিপুল চেতীয়া

লিংগ ঃ পুৰুষ

বয়স ঃ ৫২

বৃত্তি ঃ খেতিয়ক

ঠিকনা ঃ জালুকনিবাৰী গাওঁ, তিতাবৰ, ডাক - তিতাবৰ

তথ্য সংগ্ৰহৰ তাৰিখঃ ১৫-০৬-২০২২

৪। শ্ৰীযুত প্ৰাঞ্জল চেতীয়া

লিংগ ঃ পুৰুষ

বয়স ঃ ৫৭

বৃত্তি ঃ খেতিয়ক

ঠিকনা ঃ ৰজাবাৰী, বৰহোলা, ডাক - বৰহোলা

তথ্য সংগ্ৰহৰ তাৰিখঃ ১৭-০৬-২০২২

৫। শ্ৰীযুত মানিক হাজৰিকা

লিংগ : পুৰুষ

বয়স : ৫৫

বৃত্তি : শিক্ষক

ঠিকনা : দাঙধৰা তিতাবৰ, ডাক - মাধপুৰ

তথ্য সংগ্ৰহৰ তাৰিখ: ২০-০৬-২০২২

প্ৰয়োজনীয় উপযুক্ত তথ্য সঠিকভাৱে প্ৰদন কৰিবলৈ অসমৰ্থ হোৱাৰ বাবে বহুকেইজন তথ্যদাতাৰ নাম তথ্যদাতাৰ তালিকাত অন্তৰ্ভূক্ত হোৱা নাই যদিও, তেওঁলোকে আগবঢ়োৱা পৰামৰ্শ আৰু সহযোগিতাৰ বাবে তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লোঁ।